# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 17-09 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভুৱনেশ্বৰত ওড়িশা চৰকাৰৰ সুভদ্ৰা আঁচনি মুকলি কৰিব।

২। নতুন দিল্লীত আজিৰে পৰা চলিত বৰ্ষৰ অষ্টম ভাৰত জল সপ্তাহ অনুষ্ঠিত হ'ব।

৩। জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

৪। প্ৰধানমন্ত্ৰীয়ে লাভ কৰা উপহাৰসমূহৰ ই-নিলাম আজিৰ পৰা আৰম্ভ হ'ব। **আৰু**

৫। ভাৰত আজি এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনৰ মুখামুখি হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভুৱনেশ্বৰত ওড়িশা চৰকাৰৰ ধ্বজাবাহী উদ্যম সুভদ্ৰা আঁচনি মুকলি কৰিব। সুভদ্ৰা আঁচনিখন ওড়িশা চৰকাৰে ৰূপায়ণ কৰিবলগীয়া এখন অন্যতম বৃহৎ মহিলাকেন্দ্ৰিক আঁচনিৰূপে পৰিগণিত হৈছে। এই আঁচনিখনে এক কোটিতকৈও অধিক মহিলাক সহায়ৰ হাত আগবঢ়াব। এই আঁচনিৰ জৰিয়তে ২১ৰ পৰা ৬০ বছৰ বয়সৰ ভিতৰৰ যোগ্য হিতাধিকাৰীসকলে ৫ বছৰৰ বাবে ৫০ হাজাৰ টকা লাভ কৰিব। হিতাধিকাৰীসকলক বেংক একাউণ্টৰ জৰিয়তে বছৰি দুটা সমান কিস্তিত ৫ বছৰৰ বাবে ১০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। আজি এই আঁচনি মুকলি অনুষ্ঠানৰ প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে ১০ লাখতকৈও অধিক মহিলা হিতাধিকাৰীক প্ৰথম কিস্তিৰ ধন প্ৰদান কৰিব।

প্ৰধানমন্ত্ৰীয়ে লগতে ৰাজ্যখনত ২ হাজাৰ ৮০০ কোটিতকৈও অধিক টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৰে'লৰেৰ সৈতে জড়িত কেইটামান প্ৰকল্প ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰিব। এই প্ৰকল্পসমূহে ৰাজ্যখনত ৰে'লৰেৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে অঞ্চলটোৰ বিকাশ আৰু সংযোগ ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। শ্ৰী মোদীয়ে লগতে এহেজাৰ কোটিতকৈও অধিক ধনৰ ব্যয়ৰে ৰূপায়ণ কৰিবলগীয়া ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহৰো আধাৰশিলা স্থাপন কৰিব।

শ্ৰী মোদীয়ে লগতে প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰিব।

অনুষ্ঠানৰ প্ৰতি লক্ষ্য ৰাখি ওড়িশা চৰকাৰে ইতিমধ্যে আজি ভুৱনেশ্বৰ পৌৰ নিগমৰ অধীনৰ সকলো বিদ্যালয় আৰু মহাবিদ্যালয় বন্ধ ৰখা হ'ব বুলি ঘোষণা কৰিছে।

০০০০০

নতুন দিল্লীত আজিৰে পৰা অষ্টম ভাৰত জল সপ্তাহ, ২০২৪ অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত মণ্ডপমত এই কাৰ্যসূচী উদ্বোধন কৰিব। চাৰিদিনীয়া এই কাৰ্যসূচীত ২০০ গৰাকী বিদেশী প্ৰতিনিধিসহ ৪০ খন দেশৰ প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰদৰ্শনীৰ সময়ছোৱাত ১০০ কৈও অধিক প্ৰদৰ্শক আৰু ষ্টাৰ্টআপে এই ক্ষেত্ৰত নিজ নিজ ভাৱাদৰ্শ প্ৰদৰ্শন কৰিব। এই জল সপ্তাহে বিশ্বৰ বিভিন্ন প্ৰান্তৰ নীতি নিৰ্ধাৰক, গৱেষক, বিশেষজ্ঞ, উদ্ভাৱক তথা অংশীদাৰসকলক জল ক্ষেত্ৰত নিজ নিজ

মতামত আৰু ধাৰণা দাঙি ধৰাৰ এখন মঞ্চ প্ৰদান কৰিব। এই কাৰ্যসূচীৰ বিষয়বস্তু হৈছে ‘সৰ্বাত্মক জল উন্নয়ন আৰু ব্যৱস্থাপনাৰ হকে অংশীদাৰিত্ব আৰু সহযোগিতা’। কাৰ্যসূচীৰ সময়ছোৱাত পঞ্চায়তীৰাজ মন্ত্ৰালয়ে সহযোগী মন্ত্ৰালয় হিচাপে অংশগ্ৰহণ কৰিব।

ooooo

জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। ৭ খন জিলাৰ ২৪ খন বিধানসভা আসনৰ কাইলৈ প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। এই জিলাকেইখন হৈছে অনন্তনাগ, পুলৱামা, শ্বপিয়ান, কুলগাম, দ'দা, ৰামবান আৰু কিষ্টৱাৰ। ইয়াৰে ১৬টা সমষ্টি কাশ্মীৰ মণ্ডলৰ আৰু ৮টা জম্মুৰ মণ্ডলৰ অধীনৰ। এই প্ৰথম পৰ্যায়ত ৫ লাখ ৬৬ হাজাৰ যুৱ ভোটদাতাকে ধৰি মুঠ ২৩ লাখ ২৭ হাজাৰৰো অধিক ভোটদাতাই ২১৯ গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য নিৰ্ণয় কৰিব। ভোটগ্ৰহণ সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ২৪টা বিধানসভা সমষ্টিত মুঠ ৩ হাজাৰ ২৭৬টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰিছে। ভোটদাতাসকলক ভোটদানৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে মুখ্য নিৰ্বাচনী বিষয়া পি কে পলে কালি **ভোট কা ত্যোহাৰ** শীৰ্ষক এটা বিশেষ গীত মুকলি কৰে।

ooooo

জম্মু-কাশ্মীৰ প্ৰদেশ কংগ্ৰেছ কমিটীয়ে সুশাসন আৰু জম্মু-কাশ্মীৰলৈ ৰাজ্যৰ মৰ্যাদা পুনৰ ঘূৰাই দিয়াৰ বাবে বিভিন্ন দিশ সামৰি দলৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে এই ইস্তাহাৰত দলে জনসাধাৰণৰ আশা, আকাংক্ষাসমূহ পূৰণ কৰাৰ উদ্দেশ্যে কেইবালানিও গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি অন্তৰ্ভুক্ত কৰিছে। ইস্তাহাৰত দলে লগতে ঐতিহাসিক দৰবাৰ ব্যৱস্থা অৰ্থাৎ শ্ৰীনগৰ আৰু জম্মুৰ মাজত চৰকাৰ স্থানান্তৰিত কৰাৰ দ্বিবাৰ্ষিক প্ৰথা বাহাল ৰখাৰ বাবে প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। ইস্তাহাৰত এইবুলি প্ৰকাশ কৰা হৈছে যে, দৰবাৰৰ উদ্দেশ্য হৈছে দুয়োটা অঞ্চলৰ বাবে স্থিতিশীল চৰকাৰ আৰু সমবিকাশৰ সুবিধা সুনিশ্চিত কৰা। ৰাজনৈতিক আৰু প্ৰশাসনিক পৰিৱৰ্তনৰ লগতে দলে নিয়োগ আৰু ভূমি আৱণ্টনৰ ক্ষেত্ৰত জম্মু-কাশ্মীৰৰ লোকসকলক অগ্ৰাধিকাৰ প্ৰদান কৰাৰো প্ৰতিশ্ৰুতি দিছে।

ooooo

হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন উকলি যোৱাৰ পাছত এহেজাৰ ৩১ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। মুখ্য নিৰ্বাচনী বিষয়া পংকজ আগৰৱালে কৈছে যে, মনোনয়ন প্ৰত্যাহাৰৰ কালি অন্তিম দিনা মুঠ ১৯০ গৰাকী প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিছে। অহা ৫ অক্টোবৰত ৰাজ্যখনত ৯০ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা উপহাৰসমূহৰ ই-নিলাম আজিৰ পৰা আৰম্ভ হ'ব। কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে জনসাধাৰণক ই-নিলামত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায় কয় যে ই নমামি গংগা পুঁজিলৈ বৰঙণি আগবঢ়াই এটা মহান উদ্দেশ্য সাধন কৰিব। তেওঁ কয় যে এয়া হ'ল এই নিলামৰ ষষ্ঠ সংস্কৰণ। ২০১৯ চনত প্ৰথমবাৰৰ বাবে এই নিলাম অনুষ্ঠিত হৈছিল। আজিৰ পৰা জনসাধাৰণে নিজৰ প্ৰিয় স্মাৰকৰ বাবে নিবিদা জমা কৰিব পাৰিব। অনলাইন নিলামৰ প্ৰক্ৰিয়া ২

অক্টোবৰলৈকে চলিব। আগ্ৰহী লোকসকলে https://pmmementos.gov.in ৱেবছাইটৰ জৰিয়তে এই প্ৰক্ৰিয়াত পঞ্জীয়ন আৰু অংশগ্ৰহণ কৰিব পাৰিব।

শ্ৰীশ্বেখাৱাটে কয় যে এই বছৰ প্ৰায় ছশটা স্মাৰক নিলামৰ বাবে প্ৰদৰ্শন কৰা হৈছে। ইয়াত বচা বচা শিল্পকৰ্ম, নিখুঁতভাৱে নিৰ্মিত মন্দিৰৰ আৰ্হি, হিন্দু দেৱতাৰ মূৰ্তি, পেৰালিম্পিয়ানসকলৰ জোতা আদি অন্তৰ্ভুক্ত কৰা হৈছে।

আজিৰ পৰা ২ অক্টোবৰলৈকে দেশত সেৱা পখোৱাৰা উদযাপন কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই উপলক্ষে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কলা কৰ্ম, জন শক্তি প্ৰদৰ্শনী আৰু বিষয়ভিত্তিক কলা কৰ্মশালাৰ দৰে কাৰ্যসূচীৰ আয়োজন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি নতুন দিল্লীত থকা দলৰ মুখ্য কাৰ্যালয়ত সেৱা পখৱাড়া কাৰ্যসূচীৰ অধীনত এটা ৰক্তদান শিবিৰ মুকলি কৰিব। শ্ৰী নাড্ডাই লগতে প্ৰধানমন্ত্ৰীৰ জীৱনৰ ওপৰত আধাৰিত এখন প্ৰদৰ্শনীও মুকলি কৰিব।

০০০০০

পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কৈছে যে প্ৰতিবাদী কনিষ্ঠ চিকিৎসকসকলে উত্থাপন কৰা চাৰিটা দাবীৰ ভিতৰত ৰাজ্য চৰকাৰে তিনিটা দাবী মানি লৈছে। কালিঘাটস্থিত বাসগৃহত যোৱা নিশা কনিষ্ঠ চিকিৎসকসকলৰ সৈতে অনুষ্ঠিত এখন বৈঠকৰ পাছত সংবাদ মাধ্যমক সম্বোধন কৰি তেওঁ কয় যে চিকিৎসকসকলৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি কলকাতা আৰক্ষীৰ আয়ুক্ত বিনীত গোয়েলক অপসাৰণ কৰা হ'ব। আজি বিয়লি অধিসূচনাৰ জৰিয়তে আৰক্ষী বাহিনীত হ'বলগীয়া ৰদ-বদল কাৰ্যকৰী কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে । মুখ্যমন্ত্ৰীগৰাকীয়ে কনিষ্ঠ চিকিৎসকসকলক কৰ্তব্যত যোগদান কৰিবলৈ আহ্বান জনায়।

ইপিনে, নিজৰ ধৰ্ণা-মঞ্চলৈ উভতি অহাৰ পাছত প্ৰতিবাদকাৰী চিকিৎসকসকলে কয় যে এই সিদ্ধান্তসমূহে তেওঁলোকৰ আন্দোলনৰ জয়ক প্ৰতিফলিত কৰিছে। অৱশ্যে আশ্বাসসমূহ বাস্তৱত ৰূপায়িত নোহোৱালৈকে তেওঁলোকে ধৰ্ণা-প্ৰতিবাদ আৰু কৰ্মবিৰতি অব্যাহত থাকিব বুলি প্ৰকাশ কৰে। কলকাতাৰ কনিষ্ঠ চিকিৎসকসকলে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এগৰাকী যুৱ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰক লৈ ন্যায়ৰ দাবীৰে প্ৰতিবাদ অব্যাহত ৰাখিছে।

০০০০০

ভাৰত আজি হুলুনবুইৰত হ'বলগীয়া এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত আয়োজক দেশ চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব।

ভাৰতে ছেমি ফাইনেলত কালি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰত এই পৰ্যন্ত প্ৰতিযোগিতাখনত অপৰাজিত হৈ আছে। দলটোৱে গ্ৰুপ পৰ্যায়ত চীনক ৩-০, জাপানক ৫-১, মালয়েছিয়াক ৮-১, কোৰিয়াক ৩-১ আৰু পাকিস্তানক ২-১ গ'লত পৰাস্ত কৰিছিল।

আনহাতে, চীন লীগ পৰ্যায়ত ভাৰতৰ উপৰি কোৰিয়া আৰু জাপানৰ বিৰুদ্ধে পৰাজিত হৈছিল।

ভাৰতে ইতিমধ্যে ২০১১, ২০১৬, ২০১৮ আৰু ২০২৩ চনত চাৰিবাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ জয় কৰিছে। ইপিনে চীন প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ জয় কৰাৰ লক্ষ্যৰে আজিৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooo

সৰ্বভাৰতীয় ফুটবল পৰিষদে সন্তোষ কাশ্যপক ভাৰতৰ জ্যেষ্ঠ মহিলা ফুটবল দলৰ নতুন মুখ্য প্ৰশিক্ষক হিচাপে নিযুক্তি দিছে। তেওঁ প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ চাওবা দেৱীৰ ঠাইত দলৰ মুখ্য প্ৰশিক্ষকৰ দায়িত্ব গ্ৰহণ কৰিব। পৰিষদে প্ৰিয়া পি ভিক লগতে সহকাৰী প্ৰশিক্ষক আৰু ৰঘুবীৰ প্ৰবীণ খানোলকাড়ক দলৰ গলৰক্ষকৰ প্ৰশিক্ষক হিচাপে নিযুক্তি দিছে।

ভাৰতীয় দলটোৱে নতুন মুখ্য প্ৰশিক্ষকগৰাকীৰ অধীনত নেপালৰ কাঠমাণ্ডুত ১৭ৰ পৰা ৩০ অক্টোবৰলৈ হ'বলগীয়া ছাফ মহিলা চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিব। এই চেম্পিয়নশ্বিপৰ বাবে প্ৰস্তুতি চলোৱাৰ অৰ্থে ২৯ জনীয়া ভাৰতীয় দলটোৱে ২০ ছেপ্তেম্বৰৰ পৰা গোৱাত এটা শিবিৰত ভাগ ল'ব।

ooooo

সমাপ্ত